REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-NOV-2026
Time : 9-00 AM

Assamese Morning Bulletin

————————————————

HEADLINES (9 AM)

১। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানৰ কাৰণ নির্ণয়ৰ বাবে চি বি আই তদন্তৰ প্ৰস্তাৱত মন্ত্ৰীসভাৰ অনুমোদন। বহুবিবাহত আবদ্ধ চৰকাৰী কর্মচাৰীক চাকৰিৰ পৰা বর্খাস্তৰ সিদ্ধান্ত।

২। দেশত ২০৪৭ চনৰ ভিতৰত মালবাহী পৰিবহণত উপকূলীয় আৰু অভ্যন্তৰীণ জলপথৰ অৱদান ১২ শতাংশলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সর্বানন্দ সোণোৱালৰ মন্তব্য।

৩। কোনো এটা সংগঠন বা ৰাজনৈতিক গোটে প্ৰতিবাদস্থলী অনির্দিষ্ট কাললৈ নিজৰ দখলত ৰাখিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়।

৪। বন বিভাগত শীঘ্ৰে নিযুক্তিৰ সম্ভাৱনা। গজমিত্ৰ আঁচনিৰ সৈতে জড়িতসকলৰ মাননি এহেজাৰ টকালৈ বৃদ্ধি। **আৰু**

৫। অকলেণ্ডত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আৰম্ভ। টছত জিকি ভাৰতৰ ফিল্ডিঙৰ সিদ্ধান্ত।

oooooo

চলিত বছৰৰ জুলাইত শিৱসাগৰ আৰু চৰাইদেউ জিলাত হোৱা বিধবংসী বানৰ কাৰণ নির্ণয়ৰ বাবে চি বি আইৰ দ্বাৰা তদন্ত কৰাৰ প্ৰস্তাৱত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন জনাইছে। কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শর্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অহা ১০ দিন মানৰ ভিতৰত ৰাজ্য চৰকাৰে এই তদন্তৰ বাবে অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰিব।

বাইট (চি এম)

মন্ত্ৰীসভাই উদ্ভাৱনীমূলক যাতায়াত ব্যৱস্থা হিচাপে ৰজ্জুপথ নির্মাণৰ বাবে প্ৰতিষ্ঠানগত কাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ ব্যৱস্থাপনা লিমিটেড আৰু ৰাজ্য চৰকাৰৰ মাজত ৰজ্জুপথ উন্নয়ন চুক্তি স্বাক্ষৰৰ প্ৰস্তাৱত অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ, খানাপাৰাৰ পৰা গুৱাহাটী ৰে'ল ষ্টেচনলৈ, কাছাৰৰ গংগা নগৰৰ পৰা ভূৱন পাহাৰৰ শিৱ মন্দিৰলৈ, ডিমা হাচাওৰ হেমপেউপেট শৃংগৰ পৰা জাতিংগালৈ আৰু শোণিতপুৰৰ অগ্নিগড়ৰ পৰা ভৈৰৱী মন্দিৰলৈ ৫টা ৰজ্জুপথ নির্মাণ কৰা হ'ব।

নতুন কর্মসংস্থাপনৰ সুযোগ সৃষ্টি সন্দর্ভত মত প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পদন্নোতিৰ বাবে খালী হৈ থকা পদসমূহৰ দ্ৰুত নিষ্পত্তি আৰু বৃহৎ পৰিসৰত প্ৰাৰম্ভিক পর্যায়ৰ নিযুক্তি নিশ্চিত কৰাৰ লক্ষ্যৰে মন্ত্ৰীসভাই এবাৰৰ বাবে বিশেষ প্ৰশাসনিক ব্যৱস্থা প্ৰৱর্তনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। তেওঁ কয় যে এই ব্যৱস্থাৰ অধীনত পদোন্নতিৰ ক্ষেত্ৰত বার্ষিক গোপনীয় প্ৰতিবেদন- এ চি আৰ, নির্ধাৰিত চাকৰিকাল, বয়স,

অভিজ্ঞতা, বার্ষিক সম্পত্তিৰ বিৱৰণীসহ পূর্ব নির্ধাৰিত চর্তসমূহ শিথিল কৰা হ'ব। ইয়াৰ ফলত পদোন্নতিৰ প্রক্রিয়া ত্বৰান্বিত হ'ব আৰু প্রাৰম্ভিক পর্যায়ৰ চৰকাৰী নিযুক্তিৰ নতুন সুযোগ মুকলি হ'ব।

মুখ্যমন্ত্রীয়ে কয়, যে কোনো চৰকাৰী কর্মচাৰী বহুবিবাহত আবদ্ধ হ'লে চাকৰিৰ পৰা বর্খাস্ত হ'ব আৰু ভৱিষ্যতে কোনো চাকৰিত আবেদন কৰিব নোৱাৰিব। ৰাজ্যত উমৈহতীয়া দেৱানী বিধি প্রৱর্তন হোৱা বাবে এই সিদ্ধান্ত জনজাতীয় লোকৰ বাহিৰে সকলোৰে ক্ষেত্রত প্রযোজ্য হ'ব বুলি মুখ্যমন্ত্রীয়ে কয়। সেনাবাহিনীৰ পৰা অৱসৰপ্রাপ্ত তৃতীয় আৰু চতুর্থ বর্গৰ কর্মচাৰীয়ে ৰাজ্য চৰকাৰৰ চাকৰিৰ বাবে ৪৫ বছৰ বয়সলৈ আবেদন কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। ড০ শর্মাই কয় যে ৰাজ্যত এইবাৰ ৮ লাখ ৫০ হাজাৰ মেট্রিক টন ধান ক্রয়ৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে। চৰকাৰে প্রতি কুইণ্টল ধান দুহেজাৰ ৬৪০ টকাত ক্রয় কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্রীগৰাকীয়ে কয় যে ৰাজ্যত প্রতিৰক্ষা উদ্যান নির্মাণ কৰা হ'ব। সামৰিক বাহিনীৰ সহায় হ'ব পৰাকৈ ৬ হাজাৰ বিঘা ভূমিত এই উদ্যান নির্মাণ কৰা হ'ব বুলি ড০ শর্মাই প্রকাশ কৰে।

০০০০০০

কেন্দ্রীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্রী সর্বানন্দ সোণোৱালে ২০৪৭ চনৰ ভিতৰত দেশৰ মুঠ মালবাহী পৰিবহণত উপকূলীয় আৰু অভ্যন্তৰীণ জলপথৰ অংশ বর্তমানৰ ৬ শতাংশৰ পৰা ১২ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে। উপকূলীয় আৰু ক্রুজ জাহাজ পৰিবহণ ব্যৱস্থাৰ সুদৃঢ়কৰণ সন্দর্ভত অনুষ্ঠিত মন্ত্রালয়ৰ উপদেষ্টা বৈঠকত অধ্যক্ষতা কৰি মন্ত্রীগৰাকীয়ে কালি এই কথা প্রকাশ কৰে। তেওঁ কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ নেতৃত্বত বিগত ১২ বছৰত দেশৰ সামুদ্রিক খণ্ডত অভূতপূর্ব পৰিৱর্তন হৈছে। চৰকাৰে উপকূল আৰু নদীসমূহক অর্থনৈতিক বিকাশৰ চালিকা শক্তিলৈ ৰূপান্তৰিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি আছে বুলি মন্ত্রীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ২০২৬-২৭ বিত্তীয় বর্ষৰ কেন্দ্রীয় বাজেটত ঘোষণা কৰা কষ্টেল কা প্রমোচন আঁচনিৰ জৰিয়তে সামুদ্রিক উপকূলীয় মালবাহী পৰিবহণ ব্যৱস্থাত উদগণি যোগোৱাৰ লগতে মালিক, উপকূলীয় জাহাজ পৰিচালক আৰু বহুমুখী পৰিবহণ ব্যৱস্থাৰ সৈতে জড়িত প্রতিষ্ঠানসমূহক বিভিন্ন সুবিধা প্রদানৰ ব্যৱস্থা কৰা হৈছে। একেদৰে ২০২৪ চনৰ ছেপ্তেম্বৰত আৰম্ভ কৰা ক্রুজ ভাৰত মিছনৰ অধীনত ২০২৯ চনৰ মার্চৰ ভিতৰত দেশত সাগৰীয় ক্রুজ যাত্রীৰ সংখ্যা ১০ লাখলৈ বৃদ্ধি কৰা আৰু ৪ লাখ কর্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে বুলি মন্ত্রীগৰাকীয়ে প্রকাশ কৰে।

০০০০০০

প্রতিবাদৰ নামত কোনো এটা সংগঠন বা ৰাজনৈতিক গোটে প্রতিবাদস্থলী অনির্দিষ্ট কাললৈ নিজৰ দখলত ৰাখিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে ৰায় দিছে। ন্যায়ালয়ে প্রকাশ কৰা মতে প্রতিবাদৰ বাবে নির্ধাৰিত স্থানত প্রতিটো সংগঠনকে নির্দিষ্ট সময়ৰ বাবে প্রতিবাদৰ সুযোগ দিব লাগিব। মুখ্য ন্যায়াধীশ সূর্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ভি মোহনাক লৈ গঠিত বিচাৰপীঠে দিল্লীত অক্টোবৰত হোৱা প্রতিবাদক লৈ দাখিল হোৱা কেইবাখনো আবেদনৰ শুনানি গ্রহণ কৰি কালি এই নির্দেশ জাৰি কৰে।

০০০০০০

ৰাজ্যৰ বন বিভাগত শীঘ্রেই নিযুক্তি প্রক্রিয়া আৰম্ভ হ'ব। বন মন্ত্রী জয়ন্ত মল্লবৰুৱাই সাংবাদিকৰ আগত কালি এই বিষয়ে প্রকাশ কৰে। তেওঁ কয়, যে কেতবোৰ অপ্রয়োজনীয় পদ বিলোপ কৰাৰ লগতে

সাম্প্রতিক সময়ত প্রয়োজনীয় হৈ পৰা কিছুমান পদত নিযুক্তি বৃদ্ধি কৰা হ'ব। ৰাজ্য চৰকাৰৰ ২ লাখ নিযুক্তি সম্পূৰ্ণ কৰাৰ লক্ষ্যৰ অংশ হিচাপে এই নিযুক্তি দিয়া হ'ব বুলি মন্ত্রীগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, বন বিভাগে আজি ৰাজ্যখনত বান্দৰৰ গণনা আৰম্ভ কৰিব। পৰীক্ষামূলক ভাৱে আজি কামৰূপ মহানগৰ, গোৱালপাৰা, দৰং আৰু গোলাঘাট জিলাত এই গণনা কৰা হ'ব। পৰৱৰ্তী সময়ত অন্যান্য জিলাতো এই গণনা চলিব। বান্দৰৰ প্ৰজনন নিয়ন্ত্রণৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি বনমন্ত্রী গৰাকীয়ে কালি প্ৰকাশ কৰে।

হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবেও বন বিভাগে বিশেষ ব্যৱস্থা লৈছে। এতিয়াৰে পৰা হাতী মানুহৰ সংঘাতৰ ফলত কোনো লোকৰ মৃত্যু হ'লে মৃতকৰ পৰিয়াললৈ ৬ লাখ টকাৰ ক্ষতিপূৰণ দিয়া হ'ব। দুদিনৰ ভিতৰতে এই ধনৰাশি প্ৰদান কৰা হ'ব।

আনহাতে, বনৰীয়া হাতীয়ে শস্য নষ্ট কৰিলে ৮ হাজাৰ টকাকৈ ক্ষতিপূৰণ দিয়া হ'ব। তদুপৰি হাতী মানুহৰ সংঘাত ৰোধৰ উদ্দেশ্যে গজমিত্র আঁচনি গ্রহণ কৰা হৈছে আৰু আঁচনিখনৰ সৈতে জড়িতসকলৰ মাননী এহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে বুলি বন আৰু পৰিৱেশ মন্ত্রীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্রীগৰাকীয়ে কয়, যে ৰাজ্যত সম্প্রতি ৮১টা গজমিত্রৰ দল আছে। তেওঁ কয়, যে এনে দলৰ সংখ্যা শীঘ্রে ডেৰশৰ পৰা ২০০ লৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবে বনৰক্ষী বিষয়াক প্রয়োজনীয় নির্দেশ দিয়া হৈছে। গজমিত্রৰ লগত তিনিজনকৈ বনকর্মী থাকিব বুলি তেওঁ উল্লেখ কৰে। মন্ত্রীগৰাকীয়ে কয় যে ৮ নৱেম্বৰৰ ভিতৰত নতুন গজমিত্রৰ দলসমূহ গঠন হ'ব।

০০০০০০

মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই গুণগত মান ৰক্ষা কৰি নির্ধাৰিত সময়ত প্রতিটো প্রকল্পৰ কাম সম্পূৰ্ণ কৰাত গুৰুত্ব আৰোপ কৰিছে। গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তর্জাতিক কলা মন্দিৰত অনুষ্ঠিত দুখন সুকীয়া বৈঠকত লোকনির্মাণ বিভাগৰ স্বাস্থ্য আৰু শিক্ষা তথা গৃহ নির্মাণ শাখাৰ ১০ কোটি টকাতকৈও অধিক ব্যয়ৰ প্রকল্পৰ সাম্প্রতিক স্থিতি আৰু প্রকল্প ৰূপায়ণ সম্পর্কীয় বিভিন্ন বিষয়ৰ খতিয়ান লৈ মুখ্যমন্ত্রীয়ে এই সন্দর্ভত যাৱতীয় নির্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্রীয়ে ৰাজ্যৰ বিভিন্ন স্থানত লোকনির্মাণ বিভাগৰ স্বাস্থ্য আৰু শিক্ষা শাখাই নির্মাণ কৰি থকা চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয়, বি এছ চি নার্ছিং মহাবিদ্যালয়, আয়ুষ চিকিৎসালয় তথা আয়ুর্বেদিক মহাবিদ্যালয়, অভিযান্ত্রিক মহাবিদ্যালয়, আইন মহাবিদ্যালয়, আদর্শ স্নাতক মহাবিদ্যালয়কে ধৰি নির্মাণ প্রকল্পসমূহৰ কামৰ অগ্রগতিৰ বুজ লয়। মুখ্যমন্ত্রীয়ে লগতে ১৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ লোকনির্মাণ বিভাগৰ গৃহ নির্মাণ শাখাৰ ৩০৮টা প্রকল্পৰ পর্যালোচনা কৰা হয়।

০০০০০০

লোককলাৰ গৱেষক, সংগীত শিল্পী, শিক্ষাবিদ লেখক বীৰেন্দ্রনাথ দত্তৰ আজি ওপজা দিন। লোককলা আৰু সংস্কৃতিৰ গৱেষণাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা শিল্পীগৰাকীয়ে ২০০৩ চনত অসম সাহিত্য সভাৰ উত্তৰ লখিমপুৰ আৰু ২০০৪ চনত হোজাই অধিৱেশনত সভাপতিত্ব কৰিছিল। ২০০৯ চনত তেওঁক পদ্মশ্রী সন্মানেৰে সন্মানিত কৰা হৈছিল। তেওঁৰ কণ্ঠৰ কেইবাটাও গীতে অসমৰ শ্রোতাক মুগ্ধ কৰি ৰাখিছে। তেওঁৰ জনপ্রিয় গীতসমূহৰ ভিতৰত - বহুদিন বকুলৰ গোন্ধ পোৱা নাই, অ' ধুন ধুনীয়া, সাতোখন সুৰীয়া নৈ, অ' ৰহিমলা আদি অন্যতম।

কল্পলোকৰ উদ্যোগত বীৰেন্দ্ৰ নাথ দত্ত স্মাৰক বক্তৃতামালাৰ দ্বিতীয় বক্তৃতানুষ্ঠান আজি আয়োজন কৰা হৈছে। এই অনুষ্ঠানত Future of Folk Art Forms in North-East India, Contributions and concerns বিষয়ত আলিপুৰদুৱাৰ বিশ্ববিদ্যালয়ৰ উপাচার্য অধ্যাপক, বিশিষ্ট শিক্ষাবিদ, ভূপালৰ মানৱ সংগ্ৰহালয়ৰ প্ৰাক্তন সঞ্চালক সৰিৎ কুমাৰ চৌধুৰীয়ে বক্তৃতা আগবঢ়াব। অনুষ্ঠানটি সঞ্চালনা কৰিব অধ্যাপক প্ৰদীপজ্যোতি মহন্তই এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি উত্তৰ-পূৰ্বাঞ্চলৰ লোককৃষ্টিৰ কেইবাটাও নিদৰ্শনমূলক পৰিৱেশন কৰা হ'ব। আজি বিয়লি ৪ বজাত গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠানটিৰ আয়োজন কৰা হৈছে।

০০০০০০

গুৱাহাটী প্ৰেছ ক্লাব আৰু ইন্ লি ফাউণ্ডেচনৰ যুটীয়া উদ্যোগত কৃতি শিক্ষয়িত্ৰী প্ৰয়াত লীলাৱতী দাসৰ স্মৃতিত অহা ৭ নৱেম্বৰত আন্তঃ সংবাদমাধ্যম একক আৰু দ্বৈত কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত একক আৰু দ্বৈত কবিতা দুয়োটা শাখা মিলি একোটা সংবাদ প্ৰতিষ্ঠানৰ সৰ্বাধিক ছগৰাকী প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।

একক আবৃত্তিৰ বাবে পাঁচটা কবিতা নিৰ্বাচন কৰি দিয়া হৈছে। ইয়াৰে যিকোনো এটা আবৃত্তি কৰিব লাগিব। কবিতা কেইটা হ'ল – নৱকান্ত বৰুৱাৰ এন্ধাৰ ৰাতিৰ ইলিজী, নীলমণি ফুকনৰ স্বপ্নবাসৱদত্তা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাঞ্চনজংঘাৰ বুৰঞ্জী আৰু নতুন, আৰু হেম বৰুৱাৰ জাৰৰ দিনৰ সপোন। একক কবিতাৰ আবৃত্তিত শাৰীৰ পুনৰাবৃত্তি তথা সংগীত (বাদ্যযন্ত্ৰ) ব্যৱহাৰ কৰিব নোৱাৰিব।

আনহাতে, দ্বৈত আবৃত্তিৰ বাবে নিৰ্বাচিত কবিতা পাঁচটা হ'ল - অম্বিকাগিৰী ৰায়চৌধুৰীৰ অগ্নি-বীণাৰ তান, নলিনীবালা দেৱী জন্মভূমি, ভূপেন হাজৰিকাৰ ভাঙ্- শিল ভাঙ্, প্ৰসন্নলাল চৌধুৰীৰ কাঠ ফালোঁতাৰ গান আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিৰবিদ্ৰোহী। দ্বৈত আবৃত্তিত দুজন পুৰুষ অথবা দুগৰাকী নাৰী অথবা এজন পুৰুষ-এগৰাকী নাৰী এনেধৰণৰ সমীকৰণেৰে দল গঠন কৰিব পাৰিব। কবিতাৰ কোনো কোনো শাৰীৰ/অংশৰ পুনৰাবৃত্তি কৰিব পাৰিব। কবিতাটোৰ শাৰীবোৰ দুয়োগৰাকীয়ে একেলগে আবৃত্তি কৰিব লাগিব।

দ্বৈত আবৃত্তি প্ৰতিযোগিতাত সংগীত ব্যৱহাৰ কৰিব পাৰিব। দুয়োটা শাখাৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীক নগদ ধন, কিতাপৰ টোপোলা, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। ৫ নৱেম্বৰৰ ভিতৰত সংবাদপ্ৰতিষ্ঠানৰ পেডত অংশগ্ৰহণকাৰীসকলৰ নাম লিখি গুৱাহাটী প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদকৰ হাতত জমা দিব লাগিব।

০০০০০০

নিউজিলেণ্ড ভাৰতৰ বিৰুদ্ধে অকলেণ্ডৰ ইডেন পার্কত অনুষ্ঠিত পাঁচখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত বাতৰি যুগুতোৱাৰ পৰলৈকে ১৪ অভাৰত দুটা উইকেট হেৰুৱাই ৭১ ৰান সংগ্ৰহ কৰিছে। ভাৰতৰ হৈ অৰ্শ্বদীপ সিঙে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০

ৰাজ্যত ভেজাল পনীৰৰ পয়োভৰ, মন্ত্ৰীসভাৰ বৈঠকত কালি লোৱা কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত, হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে চৰকাৰে লোৱা ব্যৱস্থা আদিৰ বা-

বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে। ভেজাল খাদ্যৰ উদ্বেগজনক তথ্য সদৰী কৰি বজাৰত ভেজাল পনীৰৰ পয়োভৰ বিষয়ে স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালে সংবাদ মাধ্যমক অৱগত কৰাৰ বাতৰিটোক **অসমীয়া খবৰ** কাকতে মুখ্য বাতৰিৰূপে পৰিৱেশন কৰিছে। ৰাজ্যত নিৰাপত্তাৰক্ষীৰ কঠোৰ অভিযানৰ মাজতে তিনিচুকীয়াৰ আঠজন যুৱক একেলগে সন্ধানহীন হোৱা আৰু তেওঁলোকে আলফা (স্বাধীন)ত যোগ দিয়াৰ সন্দেহ কৰাৰ বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে কালি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **নিয়মীয়া বার্তা** কাকতেও মুখ্য বাতৰিৰ স্থান দিছে। কাকতখনে দীপাৱলীৰ প্ৰাকক্ষণত দেশৰ শ্বেয়াৰ বজাৰ ঊৰ্ধমুখী হোৱাৰ বিষয়ে অৰ্থনৈতিক ক্ষেত্ৰত আশাব্যঞ্জক বাতৰি এটাকো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ইপিনে **দৈনিক অসম** কাকতে আমেৰিকাৰ সাংবাদিক টাকাৰ কাৰ্লচনৰ দাবীৰ আধাৰত 'ইৰানত পাৰমাণৱিক আক্ৰমণৰ বাবে সাজু আমেৰিকা' শিৰোনামেৰে আন্তৰ্জাতিক ক্ষেত্ৰৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

ৰাজ্যিক নিৰ্বাচন আয়োগে ৩০ নৱেম্বৰত সোণোৱাল কছাৰী আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি কৰা ঘোষণাক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সংবাদ মাধ্যমৰ জগতত শোকৰ ছাঁ পেলাই জ্যেষ্ঠ সাংবাদিক তথা জি প্লাছ সংবাদ গোষ্ঠীৰ সম্পাদক ড° ৰাহুল চন্দাৰ সোমবাৰে বিয়লি আকস্মিকভাৱে মৃত্যুক আঁকোৱালি লোৱাৰ বাতৰিটোক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ আলোচনাৰ বাবে সাজু বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৰা মন্তব্যক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইপিনে, অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালে কালি ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰাৰ সময়তে ডিব্ৰুগড়ৰ এটি ৰোডত থকা ডাঃ জন বেৰী হোৱাইট মেডিকেল স্কুল আৰু ঐতিহ্য ভৱন এতিয়াও অৱহেলিত থকাৰ খবৰ **দা চেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত বিশেষ বাতৰিৰূপে পৰিৱেশন কৰিছে।

০০০০০০

গুৱাহাটীৰ এখন হোটেলত ৫ জন লোকক গুলীয়াই হত্যা কৰা গোচৰত অভিযুক্ত ঘনকান্ত গগৈ পুৱতি নিশা আৰক্ষীৰ এনকাউণ্টাৰত নিহত হয়। গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নি থকা অৱস্থাত পুৱতি নিশা শিৱসাগৰৰ ফুলপানী ছিগাৰ এখন ধাবাৰ সমীপত ঘনকান্তই আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰে। প্ৰত্যুত্তৰত আৰক্ষীয়ে গুলী চলাবলৈ বাধ্য হয় আৰু আৰক্ষীৰ গুলীত অভিযুক্তজন নিহত হয়। ঘটনাত শিৱসাগৰ নগৰ আৰক্ষী উপ-পৰিদৰ্শক দেৱাশীষ শৰ্মা আহত হয়। উল্লেখযোগ্য যে ২০২৪ চনৰ এটা গোচৰ সংক্ৰান্তত আৰক্ষীয়ে ঘনকান্তক গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নিছিল।

০০০০০০

সমাপ্ত